# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 24-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

চাহ উদ্যোগ তথা চাহ জনজাতিৰ উন্নয়নে অনাগত সময়ত অসমৰ বিকাশৰ গতি ত্বৰান্বিত কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুৱাহাটীৰ সৰুসজাইত ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী**ৰ শুভাৰম্ভ কৰি এই কথা প্ৰকাশ কৰে। অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্যক উদ্‌যাপনৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আয়োজন কৰা ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে আনন্দ প্ৰকাশ কৰে। তেওঁ কয়, যে সমগ্ৰ দেশে আজি এই নৃত্য উপভোগৰ বাবে অধিৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত, এসময়ত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উপেক্ষিত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে তেওঁৰ চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে আৰু বৰ্তমান তেওঁ নিজেই অসমৰ ব্ৰেণ্ড এম্বেচেদৰ বুলি মত প্ৰকাশ কৰে। চাহ জনগোষ্ঠীৰ সৱলীকৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লৈ প্ৰধানমন্ত্ৰীয়ে কয়, যে চাহ বাগিছা অঞ্চলত বসবাস কৰা ল'ৰা ছোৱালীৰ বাবে চৰকাৰে এশখন বিদ্যালয়ৰ লগতে এশতকৈও অধিক আদৰ্শ বিদ্যালয় স্থাপন কৰিছে। একেদৰে তিনিশতকৈ অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ নিৰ্মাণ, গৰ্ভৱতী মহিলাক ১৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্যৰ উপৰি চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে ৩ শতাংশ আসন সংৰক্ষণৰ কথাও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে এই বৰ্ণাঢ্য অনুষ্ঠান আয়োজনৰ বাবে অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায়।

অনুষ্ঠানত আদৰণি ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটো অসমৰ জাতীয় জীৱনৰ বাবে এটা উজ্বল দিন বুলি অভিহিত কৰে। ড° শৰ্মাই চৰাইদেউ মৈদামক ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদান, অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যদা আৰু নামৰূপ সাৰ কাৰখানাৰ পুনৰ উজ্জীৱিতকৰণৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূমিকাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে চাহ বাগিছাৰ লোকসকলক ভূমিপট্টা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে।

উল্লেখযোগ্য যে, গুৱাহাটী সৰুসজাই ষ্টেডিয়ামত আজি আঠ হাজাৰৰো অধিক শিল্পীয়ে একেলগে ঝুমুৰ নৃত্য পৰিৱেশন কৰে। ৰঙা পাৰিৰ শুভ্ৰ শাৰী পৰিহিতা চাহ জনগোষ্ঠীৰ গাভৰুৰ নৃত্যৰ ছন্দ আৰু ঢোল-মাদলৰ চেওত ষ্টেডিয়ামখন মুখৰ হৈ পৰে। চাহ জনগোষ্ঠীৰ চহকী সাংস্কৃতিক পৰম্পৰাক বিশ্ববাসীৰ সন্মুখলৈ লৈ যোৱাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আয়োজন কৰা এই দৃষ্টিনন্দন কাৰ্যসূচী প্ৰধানমন্ত্ৰীৰ লগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰৰ নেতৃত্বত অহা ৬১ গৰাকী ৰাষ্ট্ৰদূতেও উপভোগ কৰে। ইয়াৰে ২২ গৰাকী ৰাষ্ট্ৰদূতে পৰিয়ালৰ সৈতে এই অনুষ্ঠান প্ৰত্যক্ষ কৰে। ঝুমুৰ নৃত্য শেষ হোৱাৰ পাছত এটা লেজাৰ শ্ব'ও প্ৰদৰ্শন কৰা হয়।

ইয়াৰ পূৰ্বে আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানেৰে বিপুলভাৱে আদৰণি জনোৱা হয়। বিমান বন্দৰৰ পৰা সৰুসজাইলৈ পথৰ দুয়োকাষে অগণন লোকে প্ৰধানমন্ত্ৰীগৰাকীক আদৰণি জনায়।

শ্ৰীমোদীয়ে সৰুসজাইত উপস্থিত হোৱাৰ পাছত এখন বিশেষ বাহনেৰে ষ্টেডিয়ামৰ চাৰিওফালে ঘূৰি অনুষ্ঠানত অংশগ্ৰহণ কৰা শিল্পী আৰু দৰ্শকক অভিবাদন জনায়।

০০০০

দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰণেৰে কাইলৈ আৰু পৰহিলৈ গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ এই সন্মিলন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে আজি খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ  প্ৰদৰ্শনী পৰিদৰ্শন কৰে। এই শীৰ্ষ সন্মিলনত ৰিলায়েন্স, আদানী, বেদান্ত, জে এছ ডব্লিউ, ৰেলস্পুন গ্ৰুপকে ধৰি দেশ-বিদেশৰ শীৰ্ষ উদ্যোগপতিসকলে ভাগ ল'ব।

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ৰাজ্যত এক লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰৰ বাবে অনুমোদন জনোৱা হৈছে যদিও এই বিনিয়োগৰ পৰিমাণ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। আজি এই সন্মিলনৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতি পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত কয়, যে প্ৰথমবাৰৰ বাবে অসমত ভালেসংখ্যক দেশী-বিদেশী প্ৰতিনিধি আৰু বিনিয়োগকাৰীৰ সমাগম হোৱাটোৱেই ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰিছে বুলি আশা কৰিব পাৰি। ইতিমধ্যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত ৬১ খন দেশৰ ৰাষ্ট্ৰদূত তথা উচ্চায়ুক্তসকলৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল এই শীৰ্ষ সন্মিলনত অংশ লোৱাৰ বাবে অসমলৈ আহিছে।

০০০০

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ ঊনবিংশ কিস্তিত ৰাজ্যখনৰ প্ৰায় ২০ লাখ ৮৭ হাজাৰ কৃষকে মুঠ ৪৭৫ কোটি টকা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই আঁচনিৰ অধীনত প্ৰতিগৰাকী যোগ্য কৃষকে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে ২ হাজাৰ টকাকৈ লাভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ ভগলপুৰত আয়োজিত **কিষাণ সন্মান সমাৰোহত** অংশগ্ৰহণ কৰি সমগ্ৰ দেশৰ ৯ কোটি ৮ লাখৰো অধিক কৃষকৰ বাবে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ঊনবিংশ কিস্তিত ২২ হাজাৰ কোটি টকা আনুষ্ঠানিকভাৱে মুকলি কৰে। দেশৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলৰ লগতে কৃষি বিভাগৰ সংশ্লিষ্ট বিষয়াসকলে এই অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। শোণিতপুৰ জিলা কৃষি বিভাগ আৰু কৃষিবিজ্ঞান কেন্দ্ৰৰ উদ্যোগত নপামস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এই উপলক্ষে এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনৰ ৩৭ হাজাৰ ৮৮১ গৰাকী কৃষকে এই আঁচনিৰ অধীনত কিস্তিৰ ধন লাভ কৰে। দৰং জিলাৰ এক লাখ ছহেজাৰ ২৪৩ গৰাকী যোগ্য হিতাধিকাৰীয়ে কিষাণ সন্মান নিধিৰ উনবিংশ কিস্তিৰ ধন আজি লাভ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ